## ন্যায়িক নিয়ন্ত্ৰণ (Judicial Control) ঃ

সংসদীয় আৰু কাৰ্যপালিকাৰ নিয়ন্ত্ৰণ ব্যৱস্থাই প্ৰশাসনৰ নীতি আৰু ব্যয় সম্বন্ধে দৃষ্টি ৰাখে। প্ৰশাসনিক কাৰ্যৰ বৈধতা পৰীক্ষাৰ বাবে ন্যায়িক নিয়ন্ত্ৰণৰ প্ৰয়োজন হয়। ন্যায়িক নিয়ন্ত্ৰণৰ দ্বাৰা জনসাধাৰণৰ মৌলিক অধিকাৰ ৰক্ষা কৰিব পাৰি। ন্যায়ালয়ক জনসাধাৰণৰ ব্যক্তিগত অধিকাৰৰ অভিভাৱক বুলি ক'ব পাৰি। লোক প্ৰশাসনৰ কাৰ্য বৃদ্ধি হোৱাৰ লগে লগে ন্যায়ালয়েও এক গধুৰ দায়িত্ব বহন কৰিব লগীয়া হয়।

'কল্যাণকামী ৰাষ্ট্ৰ'ৰ ধাৰণা গ্ৰহণৰ ফলত ৰাষ্ট্ৰীয় কাৰ্য অসীমিত হৈ পৰে আৰু জনসাধাৰণ গোটেই জীৱনক সামৰি লৈ ৰাষ্ট্ৰৰ বিভিন্ন আঁচনি প্ৰস্তুত কৰা হয়। চৰকাৰৰ আঁচনিৰ কাৰ্যকৰী কৰাৰ দায়িত্ব লোক প্ৰশাসনৰ হাতত আৰু এই দায়িত্ব পালন কৰোঁতে বহু সময়ত জনসাধাৰণৰ ব্যক্তিগত স্বাৰ্থত আঘাত কৰাৰ সম্ভাৱনা থাকে। গতিকে লোক প্ৰশাসকে নিয়মাৱলীৰ ভিতৰত আবদ্ধ হৈ নিজৰ দায়িত্ব পালন কৰা উচিত। এনে নিয়মাৱলী অতিক্ৰম কৰিলে অথবা জনসাধাৰণৰ ব্যক্তিগত স্বাৰ্থত আঘাত কৰিলে নাগৰিকে প্ৰতিকাৰৰ বাবে ন্যায়ালয়ৰ কাষ চাপিব পাৰে। জনসাধাৰণৰ স্বাৰ্থ বা অধিকাৰৰ ৰক্ষণাবেক্ষণ দিবলৈ যাওঁতে ন্যায়ালয়ে লোক প্ৰশাসন নিয়ন্ত্ৰণ কৰিব পাৰে। দক্ষ আৰু স্বতন্ত্ৰ ন্যায়ালয়েহে লোক প্ৰশাসনক সৎ আৰু সচেতন কৰি ৰাখিব পাৰে।

ন্যায়িক নিয়ন্ত্ৰণৰ প্ৰধান দুৰ্বলতা হ'ল যে ন্যায়ালয়ে প্ৰশাসনৰ নিয়ন্ত্ৰণ কাৰ্যত নিজে আগভাগ ল'ব নোৱাৰে। কোনো ব্যক্তি বা জনসমষ্টি বা গোটে ন্যায়ালয়ক আবেদনৰ

Scanned by CamScanner

জৰিয়তে ন্যায়িক সহায় বিচাৰিলেহে ন্যায়ালয়ে এই দায়িত্ব পালন কৰিব পাৰে। তলত দিয়া কাৰণবশতঃ ন্যায়ালয়ে লোক প্ৰশাসনত হস্তক্ষেপ কৰিব পাৰে—

(১) **এলেকাহীনতা (Lack of Jurisdiction) ঃ** প্ৰতিজন লোক প্ৰশাসকৰ কাৰ্যৰ অধিকাৰ ক্ষেত্ৰ সুনিৰ্দিষ্ট কৰা থাকে। এই অধিকাৰ ক্ষেত্ৰ বা কোনো নিৰ্দিষ্ট ভৌগোলিক সীমাৰ ভিতৰত তেওঁৰ কৰ্তৃত্ব আবদ্ধ থকা উচিত। যদি প্ৰশাসকসকলে এই সীমা অতিক্ৰম কৰে, ন্যায়ালয়ে তেওঁৰ কাৰ্যক অবৈধ বুলি ঘোষণা কৰিব পাৰে। এই প্ৰসঙ্গত 'ন্যায়িক সমীক্ষা' মতবাদৰ বিষয়ে উল্লেখ কৰিব পাৰি। আমেৰিকা যুক্তৰাষ্ট্ৰ, ভাৰতবৰ্ষ, অষ্ট্ৰেলিয়া আদি দেশসমূহত প্ৰশাসনীয় বিষয়াৰ কাৰ্য অবৈধ বুলি ঘোষণা কৰাৰ উপৰিও কাৰ্যপালিকাৰ নিৰ্দেশ আৰু বিধানমণ্ডলৰ আইনো অবৈধ বুলি ঘোষণা কৰিব পাৰে। 'ন্যায়িক সমীক্ষা'ৰ সহায়ত প্ৰশাসকৰ স্ববিবেচিত কাৰ্য আৰু ক্ষমতা নিয়ন্ত্ৰণ কৰিব পৰা যায়।

(২) **আইনৰ ত্ৰুটি (Error of Law) ঃ** প্ৰশাসকসকলে আইনৰ ব্যাখ্যা ভুলকৈ দাঙি ধৰি বা ত্ৰুটিপূৰ্ণ আইন জনসাধাৰণৰ ওপৰত জাপি দি তেওঁলোকৰ ক্ষতি সাধন কৰিলে, জনসাধাৰণে প্ৰতিকাৰ বিচাৰি আইনৰ সহায় ল'ব পাৰে। ন্যায়ালয়ে উক্ত আইনৰ শুদ্ধ ব্যাখ্যা দাঙি ধৰি প্ৰশাসন নিয়ন্ত্ৰণ কৰিব পাৰে।

(৩) **তথ্য উদ্‌ঘাটনৰ ত্ৰুটি (Error in the finding of facts) ঃ** প্ৰশাসকসকলে তথ্য উদ্‌ঘাটন কাৰ্য ত্ৰুটিপূৰ্ণভাৱে সমাধা কৰিলে জনসাধাৰণৰ যথেষ্ট খতি হ'ব পাৰে। আৱশ্যকীয় তথ্য পোহৰলৈ অনাত অৱজ্ঞা কৰা, ভুল ধাৰণাৰ বশৱৰ্তী হৈ তথ্য উদ্‌ঘাটনৰ প্ৰচেষ্টা চলোৱা আদি কাৰ্যই প্ৰশাসনক ভুল সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য কৰায়। প্ৰশাসনৰ এনে ধৰণৰ কাৰ্যৰ বিৰুদ্ধে যিকোনো ব্যক্তিয়ে আইনৰ সহায় লোৱাৰ উদ্দেশ্যে আদালতৰ কাষ চাপিব পাৰে। আদালতে প্ৰশাসনৰ তেনে কাৰ্য অবৈধ বুলি ঘোষণা কৰিব পাৰে।

(৪) **ক্ষমতাৰ অপব্যৱহাৰ (Misuse of Power) ঃ** লোক প্ৰশাসকে নিয়মাৱলীৰ ভিতৰত আবদ্ধ থাকিহে ক্ষমতা প্ৰয়োগ কৰা উচিত। ইয়াৰ ব্যতিক্ৰম হ'লে যিকোনো ব্যক্তিয়ে ন্যায়ালয়ৰ কাষ চাপিব পাৰে।

(৫) **পদ্ধতিৰ ত্ৰুটি (Error of Procedure) ঃ** কোনো কোনো ক্ষেত্ৰত দেখা যায় প্ৰশাসকসকলে আসোঁৱাহ ৰাখি পদ্ধতি মানি চলে। উদাহৰণ স্বৰূপে, কোনো বিষয়াৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ আগতে বিষয়াজনক জাননী দিয়াৰ প্ৰয়োজন। যদি জাননী নিদিয়াকৈ শাস্তি বিহা হয়, তেন্তে ন্যায়ালয়ে তেনে কাৰ্য অবৈধ বুলি ঘোষণা কৰিব পাৰে।

ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে ন্যায়ালয়ে প্ৰশাসনত হস্তক্ষেপ কৰি নাগৰিকৰ স্বাধীনতা ৰক্ষা আৰু স্বাৰ্থ ৰক্ষা কৰিব পাৰে। তলত উল্লেখ কৰা উপায়সমূহ অৱলম্বন কৰি ন্যায়ালয়ে প্ৰশাসন নিয়ন্ত্ৰণ কৰিব পাৰে।

(১) **বন্দী উপস্থাপন (Habeas Corpus) ঃ** বন্দী উপস্থাপন অতি পুৰণি আৰু জনপ্ৰিয় লেখ (writ)। এই লেখ নিৰ্দেশৰ প্ৰকৃতিৰে জাৰি কৰা হয়। যদি কোনো ব্যক্তিক



সন্দেহত আটক কৰা হয়, তেন্তে আটক হৈ থকা ব্যক্তিৰ আবেদনমৰ্মে ন্যায়ালয়ে আটক কৰা ব্যক্তিক তেওঁৰ কাৰ্যৰ উপযুক্ত কাৰণ দৰ্শাবলৈ নিৰ্দেশ জাৰি কৰিব পাৰে। যদি তেওঁ উপযুক্ত কাৰণ দৰ্শাবলৈ ব্যৰ্থ হয়, তেন্তে বন্দী হৈ থকা ব্যক্তিক মুক্তি দিবলৈ ন্যায়ালয়ে নিৰ্দেশ জাৰি কৰিব পাৰে। কোনো ব্যক্তি আইন সাপেক্ষে আটক কৰা হৈছেনে নাই সেই বিষয়ে নিৰ্ণয় কৰাই হৈছে বন্দী উপস্থাপন লেখৰ মুখ্য উদ্দেশ্য।

বন্দী উপস্থাপন লেখৰ সহায়ত নাগৰিকৰ স্বাধীনতা ৰক্ষা কৰিব পৰা হয়। কিন্তু এই লেখৰ সীমাবদ্ধতাও দেখা যায়। ভাৰতবৰ্ষৰ সংবিধানৰ ২২নং অনুচ্ছেদ মতে সংসদ আৰু ৰাজ্যিক বিধানমণ্ডলে নিবাৰক নিৰোধ/নজৰ বন্দী (Preventive Detention) আইন ৰচনা কৰাৰ অধিকাৰ আছে। সমাজ-বিৰোধী কাৰ্য বা উপাদন নিৰ্মূল কৰি স্বাধীন ভাৰতক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যেই সংবিধান প্ৰণেতাসকলে এনে ব্যৱস্থা ৰাখিছিল। এনে ধৰণৰ আইনৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল যদিও প্ৰশাসনে যাতে এই ক্ষমতাৰ অপব্যৱহাৰ কৰিব নোৱাৰে তাৰ ব্যৱস্থাও ৰখা হৈছে।

(ক) কোনো ব্যক্তিক উপযুক্ত কাৰণ নোহোৱাকৈ তিনি মাহৰ অধিক সময় আটক কৰি ৰাখিব নোৱাৰিব। উপদেষ্টা বোৰ্ডে তিনি মাহৰ ভিতৰত অনুসন্ধান কৰি উপযুক্ত কাৰণ দৰ্শাব পাৰিলেহে কোনো ব্যক্তিক তিনি মাহৰ অধিক সময় আটক কৰিব পৰা হয়। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হ'ব পৰা যোগ্যতাসম্পন্ন ব্যক্তিক লৈ এনে বোৰ্ড গঠন কৰা হয়।

(খ) উপদেষ্টা বোৰ্ডে মানিব লগীয়া পদ্ধতি সংসদে নিৰ্ধাৰণ কৰিব পাৰে।

(গ) ৰাজ্যিক নিবাৰক নিৰোধ আইনে সংসদে নিৰ্দিষ্ট কৰি দিয়া সময়সীমাৰ নীতি উলংঘা কৰিব নোৱাৰিব।

(২) **পৰমাধিদেশ (Writ of Mandamus) ঃ** পৰমাধিদেশ বুলিলে আদেশ বা আজ্ঞাক বুজায়। কোনো চৰকাৰী বিষয়া অথবা নিগমে নিজৰ কতৰ্ব্য পালন নকৰিলে বা কৰ্তব্য পালনত অৱহেলা কৰিলে আৰু যদি বিষয়া বা নিগমৰ এনে কাৰ্যৰ বাবে জনসাধাৰণ অসুবিধাৰ সন্মুখীন হয়, তেন্তে জনসাধাৰণৰ ন্যায়ালয়ৰ সহায় বিচৰাৰ অধিকাৰ আছে। ন্যায়ালয়ে তেতিয়া বিষয়া বা নিগমক দায়িত্ব পালন কৰিবলৈ নিৰ্দেশ জাৰি কৰিব পাৰে। কিন্তু এনে পৰমাধিদেশ দাবী কৰিব নোৱাৰে। এনে পৰমাধিদেশ জাৰি কৰাটো ন্যায়ালয়ৰ ইচ্ছাৰ ওপৰতহে নিৰ্ভৰ কৰে আৰু আবেদনকাৰীয়েও আবেদন জনোৱাৰ সময়ত কেইটামান চৰ্ত মানি চলিব লাগে, যেনে—আবেদনকাৰীয়ে ইচ্ছা কৰামতে লোক প্ৰশাসকজন কাম কৰিবলৈ বাধ্য হ'ব লাগিব; দ্বিতীয়তে এনে কাৰ্য জনস্বাৰ্থৰ উদ্দেশ্যে হ'ব লাগিব; লোক প্ৰশাসকৰ অৱহেলাৰ ফলত আবেদনকাৰীৰ অধিকাৰ ব্যাহত হ'ব লাগিব; চতুৰ্থতে আবেদনকাৰীয়ে বিষয়াজনক তেনে কাৰ্য কৰিবলৈ আবেদন জনাব লাগিব আৰু আবেদনকাৰীৰ এনে আবেদন বিষয়াৰ দ্বাৰা অৱহেলিত হোৱাৰ কাৰণতহে এনে আদেশ ন্যায়ালয়ে জাৰি কৰিব পাৰে।

(৩) **নিষেধাজ্ঞা (Prohibition) ঃ** উচ্চ ন্যায়ালয়ে নিম্ন ন্যায়ালয়ক কোনো কাৰ্য

Scanned by CamScanner

সম্পাদন কৰিবলৈ বাধা আৰোপ কৰি লেখ জাৰি কৰিলে, তেনে লেখক নিষেধাজ্ঞা বুলি আখ্যা দিয়া হয়। কোনো আদালতে নিজৰ অধিকাৰ ক্ষেত্ৰ অতিক্ৰম কৰি কাৰ্য সম্পাদন কৰিলে তেনে কাৰ্য বন্ধ কৰিবলৈ উচ্চ ন্যায়ালয়ে নিষেধাজ্ঞা জাৰি কৰিব পাৰে, এনে নিষেধাজ্ঞা জাৰি কৰাটো দাবী হিচাপে গণ্য কৰিব পাৰি।

(৪) **ব্যাদেশ (Injunction) ঃ** ন্যায়ালয়ে কোনো ব্যক্তিক কাম কৰিবলৈ নির্দেশ জাৰি কৰিব পাৰে অথবা কাৰ্য বন্ধ কৰিবৰ বাবেও নির্দেশ জাৰি কৰিব পাৰে। কাম কৰিবলৈ নির্দেশ জাৰি কৰা লেখক অধিদেশাত্মক ব্যাদেশ (Mandatory Injunction) আৰু বন্ধ কৰিবলৈ জাৰি কৰা লেখক নিবাৰক ব্যাদেশ (Preventive Injunction) বোলা হয়। লোক প্ৰশাসকৰ কাৰ্যৰ বাবে কোনো ধৰণৰ ক্ষতিসাধন নহয় তাৰ বাবে ব্যাদেশ লেখ জাৰি কৰা হয়।

(৫) **উৎপেষণ লেখ (Certriorari) ঃ** উৎপেষণ লেখৰ জৰিয়তে উচ্চ আদালতে নিম্ন আদালতত বিচাৰাধীন হৈ থকা কোনো গোচৰ সমন্ধীয় নথি-পত্ৰ উচ্চ আদালতলৈ প্ৰেৰণ কৰিবলৈ নির্দেশ জাৰি কৰিব পাৰে। এইদৰে নিম্ন আদালতৰ পৰা গোচৰ স্থানান্তৰ কৰি উচ্চ আদালতে বিচাৰ কৰিব পাৰে। উৎপেষণ আৰু নিষেধাজ্ঞা দুয়োটা লেখ নীতিগতভাৱে একে হ'লেও দুয়োটাৰ মাজত পাৰ্থক্যও দেখা যায়। নিষেধাজ্ঞা লেখে কেৱল নিবাৰণ কৰা কাৰ্যত সীমাবদ্ধ হৈ থাকে, কিন্তু উৎপেষণ লেখে নিবাৰণ আৰু সংশোধন দুয়োটা কাৰ্যকে সামৰি লয়।

(৬) **কো-ৱাৰেণ্টো বা অধিকাৰ পৃচ্ছা (Quo-Warranto) ঃ** অবৈধভাৱে কোনো ব্যক্তিয়ে পদ দখল কৰিলে অথবা ভোটাধিকাৰ উপভোগ কৰিলে ন্যায়ালয়ে 'কো-ৱাৰেণ্টো' লেখ জাৰি কৰি তেনে কাৰ্য বন্ধ কৰিব পাৰে। এই লেখ তলত দিয়া চৰ্ত সাপেক্ষেহে জাৰি কৰিব পাৰে—

(ক) বিতৰ্কিত পদ চৰকাৰী হ'ব লাগিব।

(খ) পদটো স্থায়ী হ'ব লাগিব।

(গ) সংবিধান বা আইনৰ দ্বাৰা সৃষ্টি কৰা পদ হোৱা উচিত।

(ঘ) যিজন ব্যক্তিৰ বিৰুদ্ধে আদালতত গোচৰ দিয়া হৈছে তেওঁ প্ৰকৃততে পদত অধিষ্ঠিত হ'ব লাগিব।

(ঙ) আবেদনকাৰী উক্ত পদৰ দাবীদাৰ নহ'লেও হয়।

ন্যায়ালয়ৰ জৰিয়তে লোক প্ৰশাসন নিয়ন্ত্ৰণ কৰিব পৰা হয়। ন্যায়ালয়ে নাগৰিকৰ মৌলিক অধিকাৰ আৰু স্বাধীনতা ৰক্ষা কৰাৰ উপৰিও লোক প্ৰশাসন নিয়ন্ত্ৰণ কৰি জনসাধাৰণৰ কল্যাণ সাধনত অৰিহণা যোগায়। কিন্তু ন্যায়িক নিয়ন্ত্ৰণ অতি সীমিত হোৱা দেখা যায়। ইয়াৰ প্ৰধান দুৰ্বলতাসমূহ হ'ল—

(১) প্ৰশাসনৰ সকলো কাৰ্য ন্যায়ালয়ৰ অধিকাৰ-ক্ষেত্ৰৰ অন্তৰ্ভুক্ত নহয়। উদাহৰণ স্বৰূপে, নাগৰিকৰ বিশেষাধিকাৰৰ বিষয়ে উল্লেখ কৰিব পাৰি। বিধানমণ্ডলে আইন প্ৰণয়ন



কৰি কোনো প্ৰশাসন সমন্ধীয় বিবাদ বা বিষয় ন্যায়ালয়ৰ অধিকাৰ-ক্ষেত্ৰৰ বাহিৰত ৰাখিব পাৰে।

(২) ন্যায়ালয়ৰ অন্যতম দুৰ্বলতা হ'ল যে প্ৰশাসনত অন্যায় বা দুৰ্নীতিয়ে দেখা দিলেও ন্যায়ালয়ে আগভাগ লৈ হস্তক্ষেপ কৰিব নোৱাৰে। কোনো ব্যক্তিয়ে আবেদন কৰিলেহে ন্যায়ালয়ে প্ৰশাসনত হস্তক্ষেপ কৰাৰ অধিকাৰ পায়।

(৩) ন্যায়িক পদ্ধতি অতি মন্থৰ গতিৰ হয়। কোনো কোনো ক্ষেত্ৰত দেখা যায় একোটা গোচৰ মীমাংসাৰ বাবে কেইবা বছৰ জুৰি বিচাৰ কৰি থকা হয়। এনে ধৰণৰ মন্থৰ গতিৰে ন্যায়ালয়ে প্ৰশাসন ফলপ্ৰদভাৱে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম নহয়।

(৪) ন্যায়িক পদ্ধতি অতি ব্যয়বহুল হোৱা দেখা যায়। সৰ্বসাধাৰণ নাগৰিকে অৰ্থৰ অভাৱত অধিক ধন খৰচ কৰি প্ৰশাসকৰ কাৰ্যৰ বিৰুদ্ধে আদালতত গোচৰ দিয়া কাৰ্য অতি সহজলভ্য নহয় বুলি ক'লেও ভুল নহয়।

(৫) ন্যায়িক পদ্ধতি অতি জটিল প্ৰকৃতিৰ হোৱাত আবেদনকাৰীয়ে এই সম্বন্ধে ভালদৰে জ্ঞান আহৰণ কৰিব নোৱাৰে। গতিকে আবদনকাৰীয়ে বিচাৰৰ বাবে উকিলসকলৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰিব লগীয়া হয়। তাৰ বাবে অধিক ধন খৰচ হোৱাৰ উপৰিও উকিলৰ পাৰদৰ্শিতাৰ ওপৰতেই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

(৬) বহুসময়ত দেখা যায় ন্যায়ালয়ৰ সিদ্ধান্তই আবেদনকাৰী ফলপ্ৰদভাৱে সহায় আগবঢ়াব নোৱাৰে। ন্যায়িক পদ্ধতিৰ প্ৰকৃতি আৰু মন্থৰ গতিৰ বাবেই আবেদনকাৰীয়ে বহুসময়ত অপূৰণীয় ক্ষতিৰ সন্মুখীন হ'ব লগীয়া হয়।

মুঠতে দেখা যায় যে গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত স্বতন্ত্ৰ আৰু নিৰপেক্ষ অনুষ্ঠান হিচাপে ন্যায়ালয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কাৰ্যপালিকাই আইন কাৰ্যকৰী কৰাত ব্যৰ্থ হ'লে চৰকাৰে নিজৰ দায়িত্ব পালন কৰিবলৈ অসমৰ্থ হ'লে আৰু কোনো আইন সংবিধান আৰু জনবিৰোধী হ'লে ন্যায়ালয়ে হস্তক্ষেপ কৰি প্ৰশাসনক সচেতন কৰি দিয়াৰ উপৰিও জনসাধাৰণৰ অধিকাৰ ৰক্ষা কৰাত সহায় কৰে।

Scanned by CamScanner